অসম

ৰঙাজান দুর্ঘটনাত আহত শিশুটিৰ পৰিচয় ওলাল, CWC কেন্দ্ৰৰ পৰা শিশুটিক চমজি ল'লে পৰিয়ালৰ লোকে

কাজিৰঙাৰ ৰঙাজানত দুর্ঘটনাত আহত দেৱ গোৱালাক ককাক-আইতাকে কলিয়াবৰলৈ লৈ গৈছে। পিতৃ-মাতৃ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আই চি ইউত চিকিৎসাধীন।

প্ৰকাশ: ১৭ নৱেম্বৰ ২০২৬, নিশা ৭:৪৯ আপডেট: ১৭ নৱেম্বৰ ২০২৬, নিশা ৯:০৫



কাজিৰঙাৰ ৰঙাজানত সংঘটিত শোকাৱহ পথ দুর্ঘটনাত আহত কণমানি শিশুটিৰ পৰিচয় পোহৰলৈ আহিছে। শিশুটিৰ নাম দেৱ গোৱালা। তেওঁৰ পিতৃ ৰাহুল গোৱালা আৰু মাতৃ নিকিতা গোৱালা।

ৰাহুল গোৱালাৰ ঘৰ ডিমাপুৰত। আনহাতে, নিকিতা গোৱালাৰ ঘৰ নগাঁৱৰ মিছাৰ হাতীগাঁৱত। ডিমাপুৰত থকা স্বামীৰ ঘৰৰ পৰা নিকিতাৰ মাতৃগৃহলৈ আহি থকাৰ সময়তে ৰঙাজানত দুর্ঘটনাটো সংঘটিত হৈছিল বুলি জানিব পৰা গৈছে।

দুর্ঘটনাত গুৰুতৰভাৱে আহত ৰাহুল আৰু নিকিতা বর্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আই চি ইউত চিকিৎসাধীন হৈ আছে।

নিকিতাৰ পৰিয়ালৰ হাতত এন্ড্ৰইড মোবাইল নথকাৰ বাবে ঘটনাটোৰ বিষয়ে তেওঁলোকে আগতে গম পোৱা নাছিল। আন লোকৰ মোবাইলত নাতিনিয়েকৰ ফটো দেখি তেওঁলোকে শিশুটিক চিনাক্ত কৰে।

© 2026 NewzNow

ইয়াৰ পাছতে পৰিয়ালৰ লোকসকল বোকাখাতত উপস্থিত হয়। শিশুটিৰ ককাক-আইতাক গোলাঘাট শিশু সুৰক্ষা বিভাগৰ কার্যালয়ত উপস্থিত হৈ দেৱক কলিয়াবৰত থকা নিজৰ ঘৰলৈ লৈ যায়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3977/rangajan-accident-child-identity-dev-gowala